# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 19-01-2026 **Time :** 1100 Hrs.

০০০০০০০০০

ৰাজ্য চৰকাৰে আৰক্ষী কনিষ্টবল পদৰ আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়সৰ উচ্চ সীমা বৰ্তমানৰ ২৫ বছৰৰ পৰা ২৬ বছৰলৈ বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰাৰ লগতে আবেদনৰ সময়সীমাও ১৫ দিন বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। একেদৰে এ ডি আৰ ইৰ জৰিয়তে চাকৰিত যোগদান কৰা সকলকে ধৰি ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি আবেদনৰ বাবে স্বাগত সতীৰ্থ প'ৰ্টেলটো অহা মাহত পুনৰ মুকলি কৰা হ'ব বুলি তেওঁ সদৰি কৰিছে। এ ডি আৰ ইৰ বাবে আবেদন কৰা দিব্যাংগ প্ৰাৰ্থীসকলে বিচৰাধৰণে পূৰ্বে মেডিকেল পৰীক্ষাত অনুত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ কাৰণে দ্বিতীয়বাৰৰ বাবে মেডিকেল পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। অপ্ৰাদেশিকৃত বিদ্যালয়ৰ শিক্ষকৰ আবেদনৰ প'ৰ্টেলটো শীঘ্ৰে মুকলি কৰিবলৈ তেওঁ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ হ'বলগীয়া ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেশখনলৈ ইতিমধ্যে ৰাওনা হৈছে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিব। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হ'ব প্ৰথমগৰাকী অসমীয়া। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত অসমক আগশাৰীলৈ লৈ যোৱাৰ দিশত পদক্ষেপ ল'ব। তেওঁ এই ফ'ৰামত ১৭ খনতকৈও অধিক বৈঠকত অংশ লোৱাৰ লগতে বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। ৫ দিনীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ভাৰতৰ বিভিন্ন কোম্পানীৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়া তথা চৰকাৰী প্ৰতিনিধিৰ এটা বৃহৎ দলে ইতিমধ্যে ছুইজাৰলেণ্ডত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী, কে ৰাম মোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকতো উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমকে ধৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে নিজ নিজ ৰাজ্যত বিনিয়োগ কৰাৰ বাবে বিনিয়োগকাৰীসকলক আকৰ্ষণৰ চেষ্টা কৰিব।

০০০০০০০০০

দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ে আজিৰ পৰা ২২ জানুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত উত্তৰ-পূব আঞ্চলিক ভাৰতীয় দক্ষতা প্ৰতিযোগিতা ২০২৫-২৬ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে দেশৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্থিতি শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰা হ'ব। তেওঁলোকে ২৬টা বিভাগৰ দক্ষতা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীয়ে আজি এই প্ৰতিযোগিতা উদ্বোধন কৰে। গুৱাহাটী বিশ্ববিদল্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগৰ ক্ষেত্ৰত উদ্যমিতাৰ বিকাশ, প্ৰতিযোগিতামূলক মনোভাৰ বৃদ্ধি আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ প্ৰয়াস কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি এই প্ৰতিযোগিতাই দক্ষতা বিকাশৰ জৰিয়তে যুৱ সমাজৰ সম্ভাৱনাক উন্মোচিত কৰাৰ লগতে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিব বুলি মত প্ৰকাশ কৰে।

ooooooooo

লংকাৰ অগ্ৰণী শিক্ষানুষ্ঠান পি এম শ্ৰী লংকা হাইস্কুলৰ মহাৰজত জয়ন্তী সমাৰোহৰ কালি সামৰণি পৰে। তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত এই সমাৰোহৰ কালি সামৰণি দিনা পুৱা বিদ্যালয় প্ৰাংগণৰ পৰা এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শিক্ষাৰ্থী, শিক্ষক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ জনসাধাৰণে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগত জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান অনুস্থিত হয়। সন্ধিয়া মুকলি সভা আৰু নিশা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক কাৰ্যসূচীত জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মাই সংগীত পৰিবেশন কৰে।

ooooooooo

অহা ২৪ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা দুলীয়াজানত ৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ সপ্তদশ সংস্কৰণ কালি আৰম্ভ হৈছে। দুলীয়াজান সাহিত্য সভাৰ সভাপতি তথা গ্ৰন্থমেলা পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ড০ অজিত শইকীয়াই পতাকা উত্তোলনেৰে গ্ৰন্থমেলা শুভাৰম্ভ কৰে। উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মুকুল চন্দ্ৰ বৰাই গ্ৰন্থমেলাৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অণু শইকীয়াৰ শিশু গ্ৰন্থ **আইতাৰ একুঁকি সাধু**, ৰীণা বিশ্বাসৰ গল্প সংকলন **গল্পৰ মূৰৰ কথা** উন্মোচন কৰা হয়।

ooooooooo

**সমাপ্ত**